# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 06-03-2025
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি উত্তৰাখণ্ড ভ্ৰমণ কৰিব।

২। দেশৰ সামাজিক নিৰাপত্তা শিতানত ব্যয় ২৪ দশমিক ৪ শতাংশৰ পৰা দুগুন বৃদ্ধি হৈ ৪৮ দশমিক ৮ শতাংশ হৈছে বুলি কেন্দ্ৰীয় শ্ৰম আৰু নিয়োগ মন্ত্ৰী ড° মনসুখ মাণ্ডভিয়াই প্ৰকাশ কৰিছে।

৩। পাকিস্তানৰ বেলুচিস্তান প্ৰদেশৰ এখন বজাৰত কালি হোৱা এটা বোমা বিস্ফোৰণত ৪ জন লোক নিহত হোৱাৰ লগতে আন ৫ জন লোক আহত হৈছে।

৪। চলিত বৰ্ষৰ খেলো ইণ্ডিয়া পেৰা গেমছ অহা ২০ৰ পৰা ২৭ মাৰ্চলৈ নতুন দিল্লীত অনুষ্ঠিত হ'ব বুলি ক্ৰীড়া আৰু যুৱ পৰিক্ৰমা মন্ত্ৰী ড° মনসুখ মাণ্ডভিয়াই ঘোষণা কৰিছে।

*আৰু*

৫। আই চি চি চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ লাহোৰৰ গাড্ডাফি ষ্টেডিয়ামত কালি অনুষ্ঠিত দ্বিতীয়খন ছেমি ফাইনেলত নিউজিলেণ্ডে দক্ষিণ আফ্ৰিকাক ৫০ ৰানত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰিছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি উত্তৰাখণ্ড ভ্ৰমণ কৰিব। তাত তেওঁ মুখ্ৱাত মা গংগাৰ শীতকালীন প্ৰৱাসস্থল দৰ্শন কৰি পূজা-অৰ্চনা আগবঢ়াব। শ্ৰীমোদীয়ে ট্ৰেক আৰু মটৰ চাইকেল সমদলৰ শুভাৰম্ভ কৰাৰ লগতে হাৰশিলত এখন ৰাজহুৱা সভা সম্বোধন কৰিব। উত্তৰাখণ্ড চৰকাৰে এইবাৰ শীতকালীন পৰ্যটনৰ কাৰ্যসূচী আৰম্ভ কৰিছে। হাজাৰৰো অধিক ভক্তই ইতিমধ্যে গংগোত্ৰি, যমোনত্ৰি, কেদাৰনাথ আৰু বদ্ৰিনাথ মন্দিৰৰ দেৱ-দেৱতাৰ শীতকালীন প্ৰৱাসস্থলসমূহ দৰ্শন কৰিছে। ৰাজ্য চৰকাৰৰ এই কাৰ্যসূচীৰ উদ্দেশ্যে হৈছে পৰ্যটন ক্ষেত্ৰক উৎসাহিত কৰা আৰু স্থানীয় অৰ্থনৈতিক অৱস্থা তথা পৰ্যটন ব্যৱসায়ক অধিক শক্তিশালী কৰি তোলা।

ooooo

দেশৰ সামাজিক নিৰাপত্তা শিতানত ব্যয় ২৪ দশমিক ৪ শতাংশৰ পৰা দুগুন বৃদ্ধি হৈ ৪৮ দশমিক ৮ শতাংশ হৈছে বুলি কেন্দ্ৰীয় শ্ৰম আৰু নিয়োগ মন্ত্ৰী ড° মনসুখ মাণ্ডভিয়াই প্ৰকাশ কৰিছে। জনসাধাৰণৰ ওপৰত বিনিয়োগ বিষয়বস্তুৰে আয়োজিত এখন বাজেটত্তোৰ বেৱিনাৰত ভাষণ দি মন্ত্ৰীগৰাকীয়ে কয়, যে জনসাধাৰণে হৈছে এখন ৰাষ্ট্ৰৰ সৰ্ববৃহৎ সম্পদ। তেওঁ কয়, যে নতুনকৈ ১০ খন  কৰ্মচাৰী ৰাজ্যিক বীমা নিগম চমুকৈ ই এছ আই চি চিকিৎসা মহাবিদ্যালয় স্থাপনৰ বাবে অনুমোদন দিয়া হৈছে। মন্ত্ৰীগৰাকীয়ে দেশৰ যুৱ চামৰ দক্ষতা বিকাশ আৰু সবলীকৰণৰ হকে চৰকাৰৰ অভিযান সন্দৰ্ভতো আলোকপাত কৰে। ২০১৪ চনৰ পৰা ২০২৪ চনৰ ভিতৰত ১৭ কোটি ১০ লাখ

নিয়োগ সৃষ্টি হোৱাৰ তথ্য প্ৰকাশ কৰে শ্ৰীমাণ্ডাভিয়াই কয়, যে ইয়াৰ ভিতৰত যোৱা এটা বছৰতেই ৪ কোটি ৬০ লাখ নিয়োগৰ সৃষ্টি হৈছে। তেওঁ লগতে ২০৪৭ চনৰ ভিতৰত বিকশিত ভাৰতৰ ৰূপৰেখা সন্দৰ্ভতো আলোকপাত কৰে। শ্ৰীমাণ্ডাভিয়াই কয়, যে জনসাধাৰণৰ ওপৰত কৰা বিনিয়োগ কেৱল এটা ৰাজনৈতিক সিদ্ধান্তই নহয়, বৰং ই হৈছে এখন শিক্ষিত সুস্থ আৰু সৱল সমাজ গঢ় দিয়াৰ হকে চৰকাৰৰ সামাজিক, নৈতিক আৰু সাংস্কৃতিক প্ৰতিশ্ৰুতিবদ্ধতা।

ooooo

নীতি আয়োগে নতুন দিল্লীত কালি কোৱাণ্টাম কম্পিউটিঙৰ দ্ৰুত বিকাশ আৰু ৰাষ্ট্ৰীয় নিৰাপত্তাত ইয়াৰ প্ৰভাৱ সম্পৰ্কে এখন কৌশলগত নথি মুকলি কৰে। নীতি ফ্ৰণ্টিয়াৰ টেক হাবে ভাৰতীয় তথ্য সুৰক্ষা পৰিষদৰ সহযোগত দেশৰ ফ্ৰণ্টিয়াৰ টেক নেচনৰ দ্ৰুত পৰিৱৰ্তনৰ উদ্দেশ্যে এই নথি মুকলি কৰিছে। নথি মুকলি কৰি নীতি আয়োগৰ মুখ্য কাৰ্য্যবাহী বিষয়া বি ভি আৰ সুব্ৰমন্যমে নতুন প্ৰযুক্তি ব্যৱহাৰ সন্দৰ্ভত গুৰুত্ব আৰোপ কৰে।

ooooo

পাকিস্তানৰ বেলুচিস্তান প্ৰদেশৰ এখন বজাৰত কালি হোৱা এটা বোমা বিস্ফোৰণৰ ঘটনাত ৪ জন লোক নিহত হোৱাৰ লগতে আন ৫ জন লোক আহত হৈছে। আৰক্ষী সূত্ৰই প্ৰকাশ কৰা অনুসৰি খুজদাৰৰ নালবজাৰত ৰৈ থকা এখন মটৰ চাইকেলত বিস্ফোৰক সামগ্ৰীখিনি ৰখা হৈছিল। নাল থানাৰ ভাৰপ্ৰাপ্ত বিষয়া বহাৱাল খানে সংবাদ মাধ্যমৰ সৈতে হোৱা কথা বতৰাত হতাহত লোকসকলৰ বিষয়ে জনাই, আহতসকলৰ ভিতৰত এজনৰ অৱস্থা সংকটজনক বুলি কয়। খুজদাৰৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষকে জনোৱা অনুসৰি বিস্ফোৰণৰ ফলত কেইবাখনো যান-বাহন ক্ষতিগ্ৰস্ত হয়। বেলুচিস্তানৰ মুখ্যমন্ত্ৰী মীৰ ছৰফৰাজ বুগটিয়ে এই বিস্ফোৰণৰ কাৰ্যক কঠোৰ ভাষাৰে নিন্দা কৰাৰ লগতে আহতসকলৰ উপযুক্ত চিকিৎসা কৰোৱা হৈছে বুলি জানিবলৈ দিয়ে।

ooooo

চৰকাৰী আঁচনিসমূহ তৃণমূল পৰ্যায়ত ৰূপায়ণ কৰাৰ ক্ষেত্ৰত গাঁও পঞ্চায়তৰ প্ৰতিনিধিসকল মূল স্তম্ভ বুলি পঞ্চায়তীৰাজ দপ্তৰৰ ৰাজ্যমন্ত্ৰী প্ৰফেচাৰ এছ পি সিং বাঘেলে প্ৰকাশ কৰিছে। নতুন দিল্লীত কালি অনুষ্ঠিত এখন ৰাষ্ট্ৰীয় অভিৱৰ্তনত পঞ্চায়তীৰাজ মন্ত্ৰালয়ৰ, আদৰ্শ মহিলা বান্ধৱ গাঁও পঞ্চায়ত উদ্যম মুকলি কৰি মন্ত্ৰীগৰাকীয়ে পঞ্চায়তৰ কাম-কাজসমূহ কেনেধৰণে কৰা হয় সেই সন্দৰ্ভত আলোকপাত কৰে। তেওঁ পঞ্চায়তৰ সকলো প্ৰতিনিধিক কাম-কাজ কৰাৰ সময়ত নীতি-নিয়ম মানি চলাৰ আহ্বান জনায়। অনুষ্ঠানত ভাষণ দি স্বাস্থ্য আৰু পৰিয়াল কল্যাণ ৰাজ্যমন্ত্ৰী অনুপ্ৰিয়া পেটেলে কয়, যে চৰকাৰে বিকাশৰ ধাৰণা সলনি কৰিছে। এতিয়া মহিলাৰ নেতৃত্বৰ বিকাশ, চৰকাৰৰ অগ্ৰাধিকাৰৰ বিষয়বস্তু বুলি তেওঁ কয়। ২০৪৭ চনৰ ভিতৰত ভাৰতক বিকশিত ৰাষ্ট্ৰ হিচাপে গঢ়ি তুলিব বুলিও তেওঁ লগতে কয়। বিভিন্ন মন্ত্ৰালয়, বিভাগ আৰু ৰাষ্ট্ৰসংঘৰ জনসংখ্যা কোষৰ দৰে আন্তঃৰাষ্ট্ৰীয় সংস্থাসমূহে এই এদিনীয়া কাৰ্যসূচীত অংশগ্ৰহণ কৰিছে।

ooooo

মহিলা সবলীকৰণৰ ক্ষেত্ৰত অসম দেশৰ বাবে অন্যতম পথ প্ৰদৰ্শক হিচাপে পৰিগণিত হৈছে আৰু চৰকাৰৰ ধ্বজাবাহী আঁচনিসমূহৰ অধীনত কমেও ২৫ লাখ মহিলাক আৰ্থিক সাহায্য প্ৰদান কৰা হৈছে বুলি অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এটা পোষ্টত মুখ্যমন্ত্ৰীগৰাকীয়ে এই বিষয়ে প্ৰকাশ কৰি কয়, যে তেওঁ মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত ২৫ লাখৰো অধিক ক্ষুদ্ৰ মহিলা উদ্যোগীক অৰ্থনৈতিক সাহায্য

বিতৰণ সন্দৰ্ভত পৰ্যালোচনা কৰে। এই সাহায্য বিতৰণ কাৰ্যসূচী বিহালীত আৰম্ভ হ'ব আৰু ইয়াৰ পাছত ৰাজ্যৰ অন্যান্য অঞ্চলতো এই কাৰ্যসূচী গ্ৰহণ কৰা হ'ব বুলি তেওঁ লগতে প্ৰকাশ কৰে।

০০০০০

কেন্দ্ৰীয় চৰকাৰে চোণপ্ৰয়াগৰ পৰা কেডাৰনাথলৈ প্ৰায় তেৰ কিলোমিটাৰ দৈৰ্ঘ্যৰ ৰ'পৱে বিকশাই তোলাত অনুমোদন জনাইছে। এই প্ৰকল্পত ৪ হাজাৰ কোটিতকৈও অধিক ধন ব্যয় হ'ব বুলি নতুন দিল্লীত কালি সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে প্ৰকাশ কৰে। তেওঁ লগতে কয়, যে, এই ৰ'পৱেৰ ফলত তীৰ্থস্থানলৈ যোৱা পথৰ সময় ৮-৯ ঘণ্টাৰ পৰা ৩৬ মিনিটলৈ হ্ৰাস পাব। শ্ৰীবৈষ্ণৱে এই প্ৰকল্পৰ ফলত দিব্যাংগ আৰু জ্যেষ্ঠ লোকসকলৰ যথেষ্ট সুবিধা হ'ব বুলিও কয়। তেওঁ লগতে হেমকুণ্ড চাহিব ৰ'পৱেও বিকশাই তোলা হ'ব বুলি জানিবলৈ দিয়ে। দুহেজাৰ ৭৩০ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ হ'বলগীয়া এই ৰ'পৱেৰ দৈৰ্ঘ্য ১২ কিলোমিটাৰতকৈও অধিক হ'ব। মন্ত্ৰীগৰাকীয়ে কয়, যে চৰকাৰে পশুধনৰ স্বাস্থ্য আৰু ৰোগ প্ৰতিৰোধৰ বাবে ৩ হাজাৰ ৮৮০ কোটি টকা ধাৰ্য কৰিছে। এই কাৰ্যসূচীৰ মূল বিষয়বস্তু হৈছে ছিটাপ্ৰদান আৰু ই কৃষকসকলক যথেষ্ট উপকৃত কৰিব। পশু ঔষধিৰ জৰিয়তে পশুধনৰ বাবে উন্নত মানৰ আৰু সহজলভ্য জেনেৰিক ঔষধ যোগান ধৰা হ'ব বুলিও তেওঁ কয়।

০০০০০

ক্ৰীড়া আৰু যুৱ পৰিক্ৰমা মন্ত্ৰী ড০ মনসুখ মাণ্ডাভিয়াই চলিত বৰ্ষৰ খেলো ইণ্ডিয়া পেৰা গেমছ অহা ২০ৰ পৰা ২৭ মাৰ্চলৈ নতুন দিল্লীত অনুষ্ঠিত হ'ব বুলি ঘোষণা কৰিছে। এই প্ৰতিযোগিতাত আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ কেইবাগৰাকীও পেৰা এথলিটে অংশগ্ৰহণ কৰিব। এইবাৰ দ্বিতীয়বাৰৰ বাবে খেলো ইণ্ডিয়া পেৰা গেমছ অনুষ্ঠিত হ'ব। এই প্ৰতিযোগিতাত এহেজাৰ ২৩০ গৰাকী পেৰা এথলিটে ছটা শিতানত প্ৰতিদ্বন্দ্বিতা কৰিব। ২০২৪ পেৰিছ অলিম্পিক আৰু চীনৰ হাংজৌত অনুষ্ঠিত এছিয়ান পেৰা গেমছৰ পদক বিজয়ী খেলুৱৈয়েও ইয়াত অংশগ্ৰহণ কৰিব। কাৰ্যসূচী অনুসৰি জৱাহৰ লাল নেহৰু ষ্টেডিয়ামত ২১ৰ পৰা ২৬ মাৰ্চলৈ পেৰা আৰ্চাৰী আৰু পেৰা ভাৰত্তোলনৰ খেলসমূহ অনুষ্ঠিত হ'ব। ইপিনে, ইন্দিৰা গান্ধী ষ্টেডিয়ামত ২০ৰ পৰা ২৭ মাৰ্চলৈ পেৰা বেডমিণ্টন আৰু পেৰা টেবুল টেনিছ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। খেলো ইণ্ডিয়া পেৰা গেমছ হৈছে খেলো ইণ্ডিয়া অভিযানৰে এটা অংশ আৰু ইয়াৰ উদ্দেশ্যে হৈছে প্ৰতিভাশালী দিব্যাংগ খেলুৱৈসকলক নিজৰ ক্ৰীড়া প্ৰতিভা প্ৰদৰ্শনৰ এখন মঞ্চ প্ৰদান কৰা।

০০০০০

আই চি চি চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ অহা দেওবাৰে ডুবাইত হ'বলগীয়া ফাইনেলত ভাৰত, নিউজিলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

প্ৰতিযোগিতাৰ লাহোৰৰ গাড্ডাফি ষ্টেডিয়ামত কালি অনুষ্ঠিত দ্বিতীয়খন ছেমি ফাইনেলত নিউজিলেণ্ডে দক্ষিণ আফ্ৰিকাক ৫০ ৰানত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে। আই চি চি চেম্পিয়নছ ট্ৰফীৰ ইতিহাসৰ সৰ্বাধিক ৩৬৩ ৰানৰ বিজয় লক্ষ্য বান্ধি দি নিউজিলেণ্ডে দক্ষিণ আফ্ৰিকাক নিৰ্ধাৰিত ৫০ অভাৰত ৯টা উইকেটৰ বিনিময়ত ৩১২ ৰানত সীমাবদ্ধ কৰি ৰাখে। দক্ষিণ আফ্ৰিকাৰ হৈ ডেভিদ মিলাৰে অপৰাজিত ১০০, ৰেজি ভেণ্ডেৰ দাছেনে ৬৯ আৰু অধিনায়ক টেম্বা বেভুমাই ৫৬ ৰান কৰে। নিউজিলেণ্ডৰ হৈ অধিনায়ক মিটছেল চেণ্টনেৰে তিনিটা উইকেট দখল কৰাৰ লগতে মেট হেনৰী আৰু গ্লেন ফিলিপছে দুটাকৈ উইকেট লয়। ইয়াৰ পূৰ্বে নিউজিলেণ্ডে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ৫০ অভাৰত ছটা উইকেট হেৰুৱাই ৩৬২ ৰাণ সংগ্ৰহ কৰে। নিউজিলেণ্ডৰ হৈ ৰছিন

ৰবীন্দ্ৰই সৰ্বাধিক ১০৮ ৰাণ কৰে। কেন উইলিয়ামছনে ১০২ ৰাণৰ বৰঙণি আগবঢ়ায়। দক্ষিণ আফ্ৰিকাৰ হৈ লুংগী এনগিডিয়ে তিনিটা আৰু কাগিছো ৰাবাডাই ২ টা উইকেট দখল কৰে।

যোৱা মঙলবাৰে অনুষ্ঠিত প্ৰথমখন ছেমি ফাইনেলত ভাৰতে অষ্ট্ৰেলিয়াক পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰিছিল।

ooooo

ইণ্ডিয়ান ছুপাৰ লীগ ফুটবল প্ৰতিযোগিতাৰ কালি JRD Tata Sports Complexত অনুষ্ঠিত খেলত ওড়িশা এফ চিয়ে জামছেদপুৰ এফ চিক ৩-২ গলত পৰাস্ত কৰে। এই জয়ৰ লগে লগে ওড়িশা এফ চি ৩৩ পইণ্টৰ সৈতে তালিকাৰ ষষ্ঠ স্থানলৈ উন্নীত হৈছে। মুম্বাই এফ চি শেষৰ দুখন খেলত পৰাজিত হ'লেহে প্লে অফ পৰ্যায়ত ওড়িশাৰ সম্ভাৱনা সজীৱ  হৈ থাকিব। প্ৰতিযোগিতাৰ আন এখন খেলত আজি হায়দৰাবাদ এফ চিয়ে পঞ্জাৱ এফ চিৰ বিৰুদ্ধে খেলিব। খেলখন সন্ধিয়া চাৰে ৭ বজাত হায়দৰাবাদৰ গাচিবৌলি ষ্টেডিয়ামত অনুষ্ঠিত হ'ব।

ooooo

**সমাপ্ত**